# REGIONAL NEWS UNIT
AKASHVANI, GUWAHATI
0000000000

**Date :** 01-06-2025
**Time :** 19-10 Hrs

***Assamese Evening Bulletin***
***Headlines***

---

১। কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে আজি উত্তৰ-পূবৰ ৪ খন ৰাজ্য ক্ৰমে অসম, মণিপুৰ, ছিকিম আৰু অৰুণাচল প্ৰদেশৰ মুখ্যমন্ত্ৰীসকলক সাক্ষাৎ কৰি বান পৰিস্থিতিৰ বুজ লয়।

২। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি নতুন দিল্লীত এছিয়ান ডেভেলপমেণ্ট বেংকৰ অধ্যক্ষ মাছাটো কাণ্ডাৰ সৈতে এখন বিশেষ বৈঠকত মিলিত হয়।

৩। ভাৰতীয় বতৰ বিজ্ঞান বিভাগে অহা ৫ দিনলৈ উত্তৰ-পূব ভাৰতত প্ৰবল বৰষুণ হোৱাৰ সম্ভাৱনা প্ৰকাশ কৰিছে।

৪। বাংলাদেশৰ প্ৰাক্তন প্ৰধানমন্ত্ৰী শ্বেইখ হাছিনা আৰু প্ৰাক্তন গৃহমন্ত্ৰী আছাদ উদজামান খান কামালৰ বিৰুদ্ধে বাংলাদেশৰ আন্তঃৰাষ্ট্ৰীয় অপৰাধ ন্যায়াধীকৰণে গ্ৰেপ্তাৰী পৰোৱানা জাৰি কৰিছে। ***আৰু***

৫। আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত আজি মুম্বাই ইণ্ডিয়ানছ ক্ষন্তেক পাছতে পাঞ্জাব কিংছৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

ooooo

কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে আজি উত্তৰ-পূবৰ ৪ খন ৰাজ্য ক্ৰমে অসম, মণিপুৰ, ছিকিম আৰু অৰুণাচল প্ৰদেশৰ মুখ্যমন্ত্ৰীসকলক সাক্ষাৎ কৰি বান পৰিস্থিতিৰ বুজ লয়। উল্লেখযোগ্য যে এই চাৰিওখন ৰাজ্যত বিগত কিছুদিন ধৰি হোৱা নেৰানেপেৰা বৰষুণৰ ফলত বান, ভূমিস্খলন আৰু খহনীয়াই ভয়ংকৰ ৰূপ ধাৰণ কৰিছে। সাক্ষাতৰ সময়ছোৱাত গৃহমন্ত্ৰীগৰাকীয়ে প্ৰত্যেকখন ৰাজ্যৰ মুখ্যমন্ত্ৰীক ব্যক্তিগতভাৱে সাক্ষাৎ কৰি প্ৰয়োজনীয় সহায় আগবঢ়োৱাৰ প্ৰতিশ্ৰুতি দিয়ে। তেওঁ কয়, যে উত্তৰ-পূবৰ জনসাধাৰণৰ সুৰক্ষাৰ স্বাৰ্থত নৰেন্দ্ৰ মোদী নেতৃত্বাধীন চৰকাৰখনে সদায়ে অটল স্থিতি গ্ৰহণ কৰি আহিছে। অসমৰ মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই গৃহমন্ত্ৰী অমিত শ্বাহৰ এই তাৎক্ষণিক প্ৰতিশ্ৰুতিৰ বাবে ধন্যবাদ জ্ঞাপন কৰে। উল্লেখযোগ্য যে ৰাজ্যকেইখনত এন ডি আৰ এফ, এছ ডি আৰ এফকে ধৰি অগ্নিনিৰ্বাপক বাহিনী আৰু স্থানীয় প্ৰশাসনে ২৪ ঘণ্টাই ক্ষতিগ্ৰস্ত লোকসকলক সহায় আৰু উদ্ধাৰৰ বাবে অভিযান অব্যাহত ৰাখিছে। এইখিনিতে উল্লেখ কৰিব পাৰি যে অসম, মণিপুৰ, ছিকিম আৰু অৰুণাচল প্ৰদেশৰ উপৰি মেঘালয়, ত্ৰিপুৰা আৰু নাগালেণ্ডতো বিগত সময়ছোৱাত হোৱা বৰষুণে ব্যাপক ক্ষয়-ক্ষতি কৰিছে। এই ৰাজ্যকেইখনত এতিয়ালৈ ২৭ জন লোকৰ মৃত্যু হোৱাৰ বাতৰি পোৱা গৈছে। এই ২৭ জন লোকৰ ভিতৰত অৰুণাচল প্ৰদেশত ৯ জন, মেঘালয়ত ৬ জন, অসম আৰু মিজোৰামত ৫ জনকৈ আৰু ত্ৰিপুৰা আৰু নাগালেণ্ডত এজনকৈ লোকৰ মৃত্যু হৈছে।

ooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি নতুন দিল্লীত এছিয়ান ডেভেলপমেণ্ট বেংকৰ অধ্যক্ষ মাছাটো কাণ্ডাৰ সৈতে এখন বিশেষ বৈঠকত মিলিত হয়। সামাজিক মাধ্যমযোগে দিয়া এটা বাৰ্তাত প্ৰধানমন্ত্ৰীগৰাকীয়ে কয়, যে বিগত এটা দশকত ভাৰতৰ দ্ৰুত পৰিৱৰ্তনে অগণন লোকক সবল আৰু শক্তিশালী কৰি তুলিছে আৰু এই যাত্ৰা অধিক ত্বৰান্বিত কৰাৰ লক্ষ্যৰে আমি কাম কৰি আছো। বৈঠকৰ অনাগত সময়ছোৱাত দেশৰ উন্নয়নৰ বাবে আগবঢ়াই নিবলগীয়া বিষয়সমূহ বিতংভাৱে আলোচনা কৰা হয়। বেংকৰ অধ্যক্ষ মাছাটো কাণ্ডাই জনোৱা মতে দিল্লী পৌৰসভাৰ আন্তঃগাঁথনি উন্নয়ন, মেট্ৰ' ৰে'লৰ পৰিসৰৰ সম্প্ৰসাৰণ আৰু মহানগৰখনৰ অন্যান্য সেৱাসমূহ আধুনিকীকৰণৰ বাবে ১০০ কোটি মাৰ্কিন ডলাৰ বিনিয়োগ কৰিব। সামাজিক মাধ্যমযোগে দিয়া এটা বাৰ্তাত বেংকৰ অধ্যক্ষ কাণ্ডাই কয়, যে বিকশিত ভাৰত ২০৪৭ৰ দৃষ্টিভংগী অতি শক্তিশালী আৰু এছিয়ান ডেভেলপমেণ্ট বেংকে এই দৃষ্টিভংগীক সমৰ্থন কৰি যাব। ভাৰত এছিয়ান ডেভেলপমেণ্ট বেংকৰ অন্যতম অংশীদাৰ বুলি উল্লেখ কৰি তেওঁ কয়, যে ৰাজহুৱা আৰু ব্যক্তিগত খণ্ডৰ বিত্তীয় সাহায্য বৃদ্ধি কৰাৰ লগতে পুঁজি একত্ৰিত কৰি ২০৪৭ চনৰ ভিতৰত ভাৰতৰ উন্নত ৰাষ্ট্ৰ হোৱাৰ সপোন সাৰ্থক কৰিবলৈ এছিয়ান ডেভেলপমেণ্ট বেংক সদায়ে সাজু হৈ আছে।

০০০০০

ভাৰতীয় বতৰ বিজ্ঞান বিভাগে অহা ৫ দিনলৈ উত্তৰ-পূব ভাৰতত প্ৰবল বৰষুণ হোৱাৰ সম্ভাৱনা প্ৰকাশ কৰিছে। বিভাগটোৱে অহা বুধবাৰলৈ কেৰালাৰ মাহে আৰু কৰ্ণাটকত বিজুলী-ঢেৰেকনিৰে প্ৰবল বৰষুণ হোৱাৰ সম্ভাৱনা প্ৰকাশ কৰিছে। তদুপৰি জম্মু, কাশ্মীৰ, লাডাখ, গিলগিট, বাল্টিস্তান, মুজাফ্‌ফৰবাদ, হিমাচল প্ৰদেশ, উত্তৰাখণ্ড, পঞ্জাব, হাৰিয়ানা, চণ্ডীগড় আৰু নতুন দিল্লীতো অহা বুধবাৰলৈ প্ৰবল বৰষুণৰ সম্ভাৱনা আছে। উত্তৰ-পশ্চিম ভাৰতৰ কোংকান আৰু গোৱাতো অহা মঙলবাৰলৈ প্ৰবল বৰষুণৰ সম্ভাৱনা আছে। আনহাতে পশ্চিমবংগ আৰু ছিকিমত পাতলীয়াৰ পৰা মজলীয়া বৰষুণ হোৱাৰ সম্ভাৱনা প্ৰকাশ কৰিছে। বিভাগটোৱে প্ৰকাশ কৰা তথ্য অনুসৰি পশ্চিম ৰাজস্থানত অহা তিনিদিনত ধূলিৰ ধুমুহা অহাৰ সম্ভাৱনা আছে।

০০০০০

গৃহমন্ত্ৰী অমিত শ্বাহে আজি পশ্চিমবংগৰ তৃণমূল কংগ্ৰেছ নেতৃত্বাধীন চৰকাৰক তীব্ৰ সমালোচনা কৰি কয়, যে ২০২৬ চনত ভাৰতীয় জনতা পাৰ্টিয়ে ৰাজ্যখনত পৰৱৰ্তী চৰকাৰ গঠন কৰিব। কেন্দ্ৰীয় গৃহমন্ত্ৰীগৰাকীয়ে আজি কলকাতাৰ নেতাজী ইনড'ৰ ষ্টেডিয়ামত আয়োজিত এখন জনসভাত ভাষণ দি এইদৰে কয়। ৰাজ্যখনৰ আইন শৃংখলা পৰিস্থিতিৰ অৱনতি ঘটা বুলি উল্লেখ কৰি গৃহমন্ত্ৰীগৰাকীয়ে কয়, যে নিৰ্বাচনৰ পৰৱৰ্তী সময়ছোৱাত ৰাজ্যখনত হিংসাত্মক পৰিস্থিতি অধিক বৃদ্ধি হৈছে। সীমান্তৰ সিপাৰৰ অনুপ্ৰৱেশ এতিয়া পশ্চিমবংগৰ অন্যতম গুৰুতৰ সমস্যা। ৰাজ্যখনত এতিয়া দুৰ্নীতিয়ে ভয়াৱহ ৰূপ ধাৰণ কৰিছে বুলি উল্লেখ কৰি গৃহমন্ত্ৰী শ্ৰীশ্বাহে কয়, যে এই সময়ছোৱাত পশ্চিমবংগত মহিলাৰ বিৰুদ্ধে অপৰাধৰ সংখ্যাও যথেষ্ট পৰিমাণে বৃদ্ধি পাইছে। ৰাজ্য চৰকাৰখন গণতন্ত্ৰ ৰক্ষাত ব্যৰ্থ হোৱাৰ অভিযোগ উত্থাপন কৰি তেওঁ বিগত বিধানসভা নিৰ্বাচনৰ পাছত ৰাজ্যখনত কেইবাজনো বিজেপি কৰ্মীৰ মৃত্যুক লৈ উদ্বেগ প্ৰকাশ কৰে।

০০০০০

বাংলাদেশৰ প্ৰাক্তন প্ৰধানমন্ত্ৰী শ্বেইখ হাছিনা আৰু প্ৰাক্তন গৃহমন্ত্ৰী আছাদ উদজামান খান কামালৰ বিৰুদ্ধে বাংলাদেশৰ আন্তঃৰাষ্ট্ৰীয় অপৰাধ ন্যায়াধীকৰণে গ্ৰেপ্তাৰী পৰোৱানা জাৰি কৰিছে। যোৱা বছৰৰ

জুলাই-আগষ্ট মাহৰ গণবিদ্ৰোহৰ সময়ত মানৱতাৰ বিৰুদ্ধে অপৰাধ সংঘটিত কৰাৰ অভিযোগত দুয়োগৰাকী নেতাৰ বিৰুদ্ধে গোচৰ দাখিল কৰা হৈছিল। বাংলাদেশৰ আন্তঃৰাষ্ট্ৰীয় অপৰাধ ন্যায়াধীকৰণৰ অধ্যক্ষ ন্যায়াধীশ গোলাম মাৰ্তুজাৰ নেতৃত্বাধীন তিনিজনীয়া বিচাৰপীঠে শ্বেইখ হাছিনা, আছাদ উদজামানৰ লগতে প্ৰাক্তন আৰক্ষী মহাপৰিদৰ্শক আব্দুলা অল মানুমলৈ গ্ৰেপ্তাৰী পৰোৱানা জাৰি কৰে। ন্যায়াধীকৰণে সংশ্লিষ্ট কৰ্তৃপক্ষক তিনিওগৰাকী ব্যক্তিকে ১৬ জুনত আদালতত হাজিৰ কৰোৱাৰ নিৰ্দেশ দিয়ে। উল্লেখযোগ্য যে দেশখনত জুলাই মাহত সংঘটিত হোৱা গণহত্যাৰ বাবে শ্বেইখ হাছিনাক মূল অভিযুক্ত হিচাপে বিবেচনা কৰি অভিযোগনামা দাখিল কৰিছিল। যোৱা ১২ মে'ত দেশখনৰ আন্তঃৰাষ্ট্ৰীয় অপৰাধ ন্যায়াধীকৰণৰ তদন্তকাৰী সংস্থাই এই অভিযোগনামা দাখিল কৰিছিল। এইখিনিতে উল্লেখ কৰিব পাৰি যে দেশখনৰ প্ৰাক্তন প্ৰধানমন্ত্ৰীগৰাকীৰ বিৰুদ্ধে আন্তঃৰাষ্ট্ৰীয় অপৰাধ ন্যায়াধীকৰণত দুটা গোচৰৰ বিচাৰ প্ৰক্ৰিয়া অব্যাহত আছে।

০০০০০

ছিকিমৰ মংগন জিলাত ভূমিস্খলনৰ ফলত কেইবাটাও স্থানত পথ যোগাযোগ ব্যাহত হৈ পৰিছে। চৰকাৰী সূত্ৰই জনোৱা মতে, মংগন জিলাৰ লাচেন আৰু লাচুঙত প্ৰায় ডেৰ হাজাৰ পৰ্যটক আবদ্ধ হৈ আছে। বিভিন্ন সংস্থাই ক্ষিপ্ৰগতিত উদ্ধাৰৰ কাম কৰি আছে যদিও উদ্ধাৰৰ কাম সম্পূৰ্ণ নোহোৱালৈকে পৰ্যটকসকলক বাহিৰলৈ ওলাই নাযাবলৈ পৰামৰ্শ দিছে। বৰষুণৰ ফলত তিস্তা নৈৰ জলস্তৰ বৃদ্ধি হোৱা পৰিলক্ষিত হৈছে। ইপিনে, চু থাঙত সন্ধানহীন হোৱা ৯ জন পৰ্যটকৰো সন্ধান কৰি থকা হৈছে।

০০০০০

জম্মু-কাশ্মীৰৰ পেহেলগামত হোৱা পাশৱিক সন্ত্ৰাসবাদী আক্ৰমণৰ প্ৰত্যুত্তৰত তথা সীমান্তৰ সীপাৰৰ সন্ত্ৰাসবাদ নিৰ্মূল কৰাৰ বাবে ভাৰতৰ দৃঢ় পদক্ষেপে গোলকীয় দৃষ্টি আকৰ্ষণ কৰিছে। ডেনমাৰ্কৰ শীৰ্ষস্থানীয় কূটনৈতিক বিষয়াই পাকিস্তানৰ পৃষ্ঠপোষকতাৰ সন্ত্ৰাসবাদৰ বিৰুদ্ধে ভাৰতৰ শক্তিশালী প্ৰত্যুত্তৰৰ বাবে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীক প্ৰশংসা কৰে। ভাৰতৰ প্ৰাক্তন ডেনমাৰ্কৰ ৰাষ্ট্ৰদূত ফ্ৰেডি শ্বোৱানে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীক ভাৰতৰ প্ৰকৃত ৰক্ষাকৰ্তা আখ্যা দি আন্তৰ্জাতিক মঞ্চত পাকিস্তানৰ স্বৰূপ উদঙাই দিয়াৰ কূটনৈতিক পদক্ষেপক আদৰণি জনায়। এটা সংবাদ সংস্থাৰ সৈতে হোৱা সাক্ষাতকাৰত শ্বোৱানে কয়, যে আন্তৰ্জাতিকভাৱে নিজৰ প্ৰগতি প্ৰতিফলিত কৰি ভাৰতে আগশাৰীৰ দেশ হিচাপে নিজকে প্ৰতিপন্ন কৰাৰ লগতে প্ৰমাণ কৰিছে যে এই দেশে প্ৰত্যুত্তৰ দিব পাৰে। অপাৰেচন সিন্দূৰৰ ওপৰত আলোকপাত কৰি তেওঁ ভাৰতৰ কূটনৈতিক পদক্ষেপক প্ৰশংসা কৰাৰ লগতে সন্ত্ৰাসবাদৰ পৃষ্ঠপোষকতা কৰি অহা পাকিস্তানক গৰিহণা দিয়ে। তেওঁ কয়, যে বিশ্বৰ বিভিন্ন প্ৰান্তলৈ সৰ্বদলীয় প্ৰতিনিধি প্ৰেৰণ কৰা ভাৰতৰ পদক্ষেপ সফল হ'ব। তেওঁ আন্তঃৰাষ্ট্ৰীয় সম্প্ৰদায়ে পাকিস্তানৰ বিৰুদ্ধে শক্তিশালী পদক্ষেপ লোৱাৰ পোষকতা কৰে। তেওঁ আন্তৰ্জাতিক সন্ত্ৰাসবাদৰ হকে কাম কৰি অহা তথা সন্ত্ৰাসবাদী কাৰ্যকলাপ বৃদ্ধি কৰাৰ বাবে বিত্তীয় সমৰ্থন যোগান ধৰাৰ দৰে পদক্ষেপত জড়িত হৈ থকা পাকিস্তানক ফাইনেন্সিয়েল এক্সন টাস্ক ফ'ৰ্চৰ বিশেষ পৰ্যবেক্ষণৰ তালিকাত পুনৰ অন্তৰ্ভুক্ত কৰাৰ পোষকতা কৰে।

০০০০০

ফ্ৰেন্স অপেন টেনিছত আজি ভাৰতৰ তাৰকা খেলুৱৈ ইউকি ভাম্ব্ৰী আৰু আমেৰিকাৰ ৰবাৰ্ট গালোৱেৰ যুটীটো আমেৰিকান যুটী ইভান কিং আৰু খ্ৰীষ্টিয়ান হেৰিচনৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। ইফালে পুৰুষৰ ছিংগলছত আজি যোৱাবাৰৰ চেম্পিয়ন কাৰ্লোছ আলকাৰাজে আমেৰিকাৰ বেন শ্বেলটনৰ বিৰুদ্ধে

খেলিব। আজি হ'বলগীয়া মহিলাৰ আন এখন গুৰুত্বপূৰ্ণ খেলত পোলেণ্ডৰ ইগা চুয়াটেকে প্ৰাক্তন উইম্বলডন বিজয়ী কাজাখস্তানৰ এলিনা ৰিবাকিনাৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

ooooo

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত আজি আহমেদাবাদৰ নৰেন্দ্ৰ মোদী ষ্টেডিয়ামত হ'বলগীয়া দ্বিতীয়খন কোৱালিফায়াৰত পাঁচবাৰৰ চেম্পিয়ন মুম্বাই ইণ্ডিয়ানছ্ ক্ষন্তেক পাছতে পাঞ্জাব কিংছ্‌ৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। পাঞ্জাব কিংছে টছত জয়লাভ কৰি প্ৰথমে মুম্বাই ইণ্ডিয়ানছক বেটিঙৰ বাবে আমন্ত্ৰণ জনায়। খেলখনত জয়লাভ কৰা দলটো মঙলবাৰে একেখন ষ্টেডিয়ামত হ'বলগীয়া ফাইনেলত ৰয়েল চেলেঞ্জাৰ্ছ বেংগালুৰুৰ সন্মুখীন হ'ব। মুম্বাই ইণ্ডিয়ানছে বৰ্তমানলৈকে পাঁচবাৰ আই পি এল ক্ৰিকেট প্ৰতিযোগিতাৰ খিতাপ দখল কৰিছে। ইয়াৰ বিপৰীতে পাঞ্জাবে প্ৰতিযোগিতাৰ ইতিহাসত প্ৰথমবাৰৰ বাবে খিতাপ অৰ্জনৰ চেষ্টা চলাব।

ooooo

সমাপ্ত